# PAPER-II
# ASSAMESE

**Signature and Name of Invigilator**

1. (Signature) ______________________________

   (Name) ______________________________

2. (Signature) ______________________________

   (Name) ______________________________

OMR Sheet No. : ...............................................

(To be filled by the Candidate)

Roll No. | | | | | | | | |

(In figures as per admission card)

Roll No.______________________________

(In words)

| J | 3 | 6 | 1 | 6 |
|---|---|---|---|---|

Time : **1 ¼** hours] [Maximum Marks : **100**

Number of Pages in this Booklet : **16** Number of Questions in this Booklet : **50**

## Instructions for the Candidates

1. Write your roll number in the space provided on the top of this page.
2. This paper consists of fifty multiple-choice type of questions.
3. At the commencement of examination, the question booklet will be given to you. In the first 5 minutes, you are requested to open the booklet and compulsorily examine it as below :
   (i) To have access to the Question Booklet, tear off the paper seal on the edge of this cover page. Do not accept a booklet without sticker-seal and do not accept an open booklet.
   (ii) **Tally the number of pages and number of questions in the booklet with the information printed on the cover page. Faulty booklets due to pages/questions missing or duplicate or not in serial order or any other discrepancy should be got replaced immediately by a correct booklet from the invigilator within the period of 5 minutes. Afterwards, neither the Question Booklet will be replaced nor any extra time will be given.**
   (iii) After this verification is over, the Test Booklet Number should be entered on the OMR Sheet and the OMR Sheet Number should be entered on this Test Booklet.
4. Each item has four alternative responses marked (1), (2), (3) and (4). You have to darken the circle as indicated below on the correct response against each item.
   **Example :** ① ② ● ④
   where (3) is the correct response.
5. Your responses to the items are to be indicated in the **OMR Sheet given inside the Booklet only.** If you mark your response at any place other than in the circle in the OMR Sheet, it will not be evaluated.
6. Read instructions given inside carefully.
7. Rough Work is to be done in the end of this booklet.
8. If you write your Name, Roll Number, Phone Number or put any mark on any part of the OMR Sheet, except for the space allotted for the relevant entries, which may disclose your identity, or use abusive language or employ any other unfair means, such as change of response by scratching or using white fluid, you will render yourself liable to disqualification.
9. You have to return the Original OMR Sheet to the invigilators at the end of the examination compulsorily and must not carry it with you outside the Examination Hall. You are, however, allowed to carry original question booklet and duplicate copy of OMR Sheet on conclusion of examination.
10. **Use only Black Ball point pen provided by C.B.S.E.**
11. **Use of any calculator or log table etc., is prohibited.**
12. **There is no negative marks for incorrect answers.**

## परीक्षार्थियों के लिए निर्देश

1. इस पृष्ठ के ऊपर नियत स्थान पर अपना रोल नम्बर लिखिए ।
2. इस प्रश्न-पत्र में पचास बहुविकल्पीय प्रश्न हैं ।
3. परीक्षा प्रारम्भ होने पर, प्रश्न-पुस्तिका आपको दे दी जायेगी । पहले पाँच मिनट आपको प्रश्न-पुस्तिका खोलने तथा उसकी निम्नलिखित जाँच के लिए दिये जायेंगे, जिसकी जाँच आपको अवश्य करनी है :
   (i) प्रश्न-पुस्तिका खोलने के लिए पुस्तिका पर लगी कागज की सील को फाड़ लें । खुली हुई या बिना स्टीकर-सील की पुस्तिका स्वीकार न करें ।
   (ii) **कवर पृष्ठ पर छपे निर्देशानुसार प्रश्न-पुस्तिका के पृष्ठ तथा प्रश्नों की संख्या को अच्छी तरह चैक कर लें कि ये पूरे हैं । दोषपूर्ण पुस्तिका जिनमें पृष्ठ/प्रश्न कम हों या दुबारा आ गये हों या सीरियल में न हों अर्थात् किसी भी प्रकार की त्रुटिपूर्ण पुस्तिका स्वीकार न करें तथा उसी समय उसे लौटाकर उसके स्थान पर दूसरी सही प्रश्न-पुस्तिका ले लें । इसके लिए आपको पाँच मिनट दिये जायेंगे । उसके बाद न तो आपकी प्रश्न-पुस्तिका वापस ली जायेगी और न ही आपको अतिरिक्त समय दिया जायेगा ।**
   (iii) इस जाँच के बाद प्रश्न-पुस्तिका का नंबर OMR पत्रक पर अंकित करें और OMR पत्रक का नंबर इस प्रश्न-पुस्तिका पर अंकित कर दें ।
4. प्रत्येक प्रश्न के लिए चार उत्तर विकल्प (1), (2), (3) तथा (4) दिये गये हैं । आपको सही उत्तर के वृत्त को पेन से भरकर काला करना है जैसा कि नीचे दिखाया गया है :
   **उदाहरण** : ① ② ● ④
   जबकि (3) सही उत्तर है ।
5. प्रश्नों के उत्तर **केवल प्रश्न पुस्तिका के अन्दर दिये गये OMR पत्रक पर ही** अंकित करने हैं । यदि आप OMR पत्रक पर दिये गये वृत्त के अलावा किसी अन्य स्थान पर उत्तर चिह्नांकित करते हैं, तो उसका मूल्यांकन नहीं होगा ।
6. अन्दर दिये गये निर्देशों को ध्यानपूर्वक पढ़ें ।
7. कच्चा काम (Rough Work) इस पुस्तिका के अन्तिम पृष्ठ पर करें ।
8. यदि आप OMR पत्रक पर नियत स्थान के अलावा अपना नाम, रोल नम्बर, फोन नम्बर या कोई भी ऐसा चिह्न जिससे आपकी पहचान हो सके, अंकित करते हैं अथवा अभद्र भाषा का प्रयोग करते हैं, या कोई अन्य अनुचित साधन का प्रयोग करते हैं, जैसे कि अंकित किये गये उत्तर को मिटाना या सफेद स्याही से बदलना तो परीक्षा के लिये अयोग्य घोषित किये जा सकते हैं ।
9. आपको परीक्षा समाप्त होने पर मूल OMR पत्रक निरीक्षक महोदय को लौटाना आवश्यक है और परीक्षा समाप्ति के बाद उसे अपने साथ परीक्षा भवन से बाहर न लेकर जायें । हालांकि आप परीक्षा समाप्ति पर मूल प्रश्न-पुस्तिका तथा OMR पत्रक की डुप्लीकेट प्रति अपने साथ ले जा सकते हैं ।
10. **केवल C.B.S.E. द्वारा प्रदान किये गये काले बाल प्वाईंट पेन का ही इस्तेमाल करें ।**
11. **किसी भी प्रकार का संगणक (कैलकुलेटर) या लाग टेबल आदि का प्रयोग वर्जित है ।**
12. **गलत उत्तरों के लिए कोई नकारात्मक अंक नहीं हैं ।**

**ASSAMESE**

**অসমীয়া**

**Paper – II**

**প্ৰশ্নকাকত– II**

**Note :** This paper contains **fifty (50)** objective type questions, each question carrying **two (02)** marks. Attempt **all** the questions.

**টোকা :** এই প্ৰশ্নকাকতত **পঞ্চাশ(50)**টা বহু বিকল্পীয় প্ৰশ্ন আছে । প্ৰতিটো প্ৰশ্নৰ মূল্যাঙ্ক **দুই (2)** । উত্তৰ পত্ৰত শুদ্ধ উত্তৰটো চিহ্নিত কৰাঁ । সকলো প্ৰশ্নৰে উত্তৰ কৰিবাঁ ।

তৰল 1ৰ পৰা 8নং প্ৰশ্নথৈকে চাৰিটা বিকল্প উত্তৰ দিয়া আছে । শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ ।

**1.** কাত্যা তৰুবৰ পঞ্চ বি ডাল

চঞ্চল চীএ পইঠো কাল ।

ওপৰৰ চৰ্যাটি কাৰ ৰচনা ?

(1) ভুসুকপাদ (2) সৰহপাদ

(3) লুইপাদ (4) কাহ্নুপাদ

**2.** তলৰ কোনখন কাব্যত মণিপুৰ নগৰৰ বিৱৰণ পোৱা যায় ?

(1) বব্ৰুবাহনৰ যুদ্ধ (2) সাত্যকি প্ৰৱেশ

(3) হৰগৌৰী সংবাদ (4) তাম্ৰধ্বজৰ যুদ্ধ

**3.** ৰামাই পণ্ডিতৰ ‘শূন্যপুৰাণ’ পুথিখন কোনজন দেৱতাৰ পূজাৰ লগত জড়িত ?

(1) বিষ্ণু (2) শিৱ

(3) ধৰ্ম (4) সূৰ্য

**4.** ‘বুৰঞ্জী বিবেক ৰত্ন’ গ্ৰন্থখনৰ ৰচক

(1) সূৰ্যকুমাৰ ভূঞা (2) গুনাভিৰাম বৰুৱা

(3) মণিৰাম দেৱান (4) বেণুধৰ শৰ্মা

**5.** ‘নাম-ঘোষা’ৰ দাৰ্শনিক ভিত্তি হৈছে

(1) সাংখ্য (2) বেদান্ত

(3) ন্যায় (4) বৈশেষিক

**6.** আইন বিষয়ক পাঠৰ অনুবাদ কেনেধৰনৰ হোৱা উচিত ?

(1) ভাবানুবাদ (2) ব্যাখ্যানুবাদ

(3) ছায়ানুবাদ (4) শব্দানুবাদ

**7.** 'ৰাংপতা' গ্ৰন্থখনৰ ৰচক

(1) লক্ষ্মীনাথ বেজবৰুৱা

(2) বেণুধৰ শৰ্মা

(3) বেণুধৰ ৰাজখোৱা

(4) শৈলধৰ ৰাজখোৱা

**8.** তলৰ কোনগৰাকী ব্যক্তিৰ লেখনী হেমকোষৰ প্ৰথম সংস্কৰণত পাতনি স্বৰূপে সংযোজিত হৈছিল ?

(1) এডৱাৰ্ড গেইট (2) পি.আৰ.টি. গৰ্ডন

(3) মেক্সমুলাৰ (4) ৰবিন্সন

তৰল 9ৰ পৰা 15 লৈ প্ৰতিটো প্ৰশ্নৰ লগত চাৰিটাকৈ বিকল্প দিয়া আছে । এই বিকল্পসমূহৰ মাজত দুটা বা ততোধিক শুদ্ধ বিকল্প আছে । শুদ্ধ বিকল্পৰ সমূহ বা থূলটো বাছি উলিওৱাঁ ।

**9.** তলৰ কোন দুগৰাকী ব্যক্তি তুলনামূলক সাহিত্যৰ আমেৰিকান স্কুলৰ সৈতে জড়িত ?

(i) Henry H. Remak (ii) Paul Van Tieghem

(iii) Rene Wellek (iv) Huang Ren

(1) (ii) আৰু (iv) (2) (i) আৰু (iv)

(3) (ii) আৰু (iii) (4) (i) আৰু (iii)

**10.** তলৰ কোন দুখন কাব্যৰ কেন্দ্ৰীয় চৰিত্ৰ একে ?

(i) কুমৰ হৰণ (ii) ঊষা পৰিণয়

(iii) ৰুক্মিণী হৰণ (iv) কুৰুক্ষেত্ৰ কাব্য

(1) (iii) আৰু (iv) (2) (ii) আৰু (iii)

(3) (i) আৰু (ii) (4) (i) আৰু (iii)

**11.** আহোমসকলে পালন কৰা উৎসৱৰ থূল –

(i) ওমফা (ii) ছংখং

(iii) ফুৰালুং (iv) চজুন

(1) (i) আৰু (ii) (2) (ii) আৰু (iii)

(3) (i) আৰু (iii) (4) (ii) আৰু (iv)

**12.** তলৰ কোনকেইখন অসমীয়া পুথিচিত্রৰ উদাহৰণ ?

(i) আনন্দ লহৰী (ii) কথা ভাগৱত

(iii) গীত গোৱিন্দ (iv) চিত্র ভাগৱত

(1) (i), (iii), (iv) (2) (i), (ii)

(3) (ii), (iv) (4) (ii), (iii), (iv)

**13.** ড. উপেন্দ্রনাথ গোস্বামীয়ে ৰচনা কৰা পুথিকেইখন –

(i) অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ (ii) ভাষা আৰু সাহিত্য

(iii) অসমীয়া ভাষাৰ ব্যাকৰণ (iv) অসমীয়া ভাষাৰ ৰূপকথা

(1) (i), (iii), (iv) (2) (ii), (iii), (iv)

(3) (ii), (iii) (4) (i), (iv)

**14.** তলৰ কোনকেইখন আলোচনী একেগৰাকী ব্যক্তিৰ দ্বাৰা সম্পাদিত হৈছিল ?

(i) প্রকাশ (ii) প্রান্তিক

(iii) সাতসৰী (iv) সৰীয়সী

(1) (i), (ii), (iv) (2) (ii), (iii), (iv)

(3) (i), (iv) (4) (ii), (iii)

**15.** নৱকান্ত বৰুৱাৰ দ্বাৰা ৰচিত কাব্যগ্রন্থ –

(i) এটি দুটি এঘাৰটি তৰা (ii) মোৰ আৰু পৃথিৱীৰ

(iii) যতি আৰু কেইটিমান স্কেচ্ছ্ (iv) মাটিৰ পৰা মেঘলৈ

(1) (i), (ii), (iii) (2) (i), (ii), (iv)

(3) (ii), (iii) (4) (ii), (iv)

তলৰ 16ৰ পৰা  20 লৈ দিয়া প্ৰতিটো মন্তব্য যুক্তিৰে বিশ্লেষণ কৰি অথবা কাৰ্যকাৰণ নিৰ্ণয় কৰি (1), (2), (3) আৰু (4) বিকল্পৰ মাজৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ ।

**16.** সাহিত্যৰ সকলো পাঠেই উমৈহতীয়া লক্ষণৰ অধিকাৰী । কাৰণ –

(1) সাহিত্যৰ পাঠসমূহ বিষয়, অলংকাৰ আৰু ভাষিক উপাদানেৰে নিৰ্মিত ।

(2) সাহিত্যৰ পাঠ নিৰ্মাণত অভিজ্ঞতাসমূহক আধাৰ হিচাপে গণ্য কৰা হয় ।

(3) সমালোচকসকলে সাহিত্যক পাঠ ৰূপে গণ্য কৰে ।

(4) সাহিত্যৰ পাঠসমূহত ভাষা, প্ৰতীক, বাচন আদিৰ ব্যৱহাৰ কৰা হয় ।

**17.** অসমীয়া কবিতাৰ ছন্দত দ্বিমাত্ৰিক পৰ্ববন্ধৰ ৰূপায়ন সম্ভৱপৰ নহয় । কাৰণ,

(1) দ্বিমাত্ৰিক পৰ্ববন্ধ সদায় ৰুদ্ধদলেৰে অন্ত পৰে ।

(2) দ্বিমাত্ৰিক পৰ্বত কোনো পৰিপূৰ্ণ স্পন্দন নাই ।

(3) দ্বিমাত্ৰিক পৰ্ববন্ধ স্থিতিস্থাপক ।

(4) দুটা দ্বিমাত্ৰিক পৰ্বই চতুৰ্মাত্ৰিক ৰূপৰ সৃষ্টি কৰে ।

**18.** অমৃত খাই হ'ল ৰোগ        তিতা লাগে গোপাল ভোগ
        জুইৰ দৰে হ'ল শিলৰ পানী ।
হৰি ভজি হৰে অধোগতি    দান কল্লি হৰে দুৰ্গতি
        ঘিউ খাই নৰ হৰে অন্ধ ।।

– ইয়াত বিৰোধ অলঙ্কাৰৰ প্ৰয়োগ ঘটিছে । কাৰণ,

(1) ইয়াত প্ৰতিটো বস্তুৰ লগতে বিৰোধ ভাৱ আছে ।

(2) ইয়াত উপমেয় আৰু উপমানবোৰে বিৰোধ প্ৰকাশ কৰি জটিলতাৰ সৃষ্টি কৰিছে ।

(3) ইয়াত বিৰোধ নথকা বস্তুৱে মনত বিৰোধ ভাৱ ওপজাইছে ।

(4) ইয়াত থকা অমৃত আৰু হৰি দুয়োটা শব্দ সম্পৰ্কযুক্ত কৰি ব্যৱহাৰ কৰা হোৱা নাই ।

**19.** ফুলনি, ধাননি, পদুমণি, জোনাক আদি শব্দবোৰৰ সাধন প্ৰক্ৰিয়াক সমবৰ্গীয় শব্দসাধন প্ৰক্ৰিয়াৰ শ্ৰেণীত ধৰা হয়  । কাৰণ –

(1) ফুল, ধান, পদুম, জোন আদি শব্দৰ লগত ক্ৰমে অনি, আক আদি প্ৰত্যয় যোগ হৈছে ।

(2) ফুল, ধান, পদুম, জোন আদি বিশেষ্য শব্দৰ লগত ক্ৰমে-অনি, আক আদি প্ৰত্যয় যোগ হৈ নতুন বিশেষ্য শব্দ গঠন হৈছে ।

(3) ফুল, ধান, পদুম আদি বিশেষ্য শব্দৰ লগত ক্ৰমে-অনি, আক প্ৰত্যয় যোগ হৈ বিশেষণ শব্দ গঠন হৈছে ।

(4) ফুল, ধান, পদুম আদি বিশেষ শব্দৰ লগত ক্ৰমে-অনি, আক আদি প্ৰত্যয় যোগ হৈ নতুন শ্ৰেণীৰ শব্দ গঠন হৈছে ।

**20.** অসমীয়া ভাষাত সংস্কৃত ভাষাৰ দৰে মূৰ্ধন্য ধ্বনিৰ উচ্চাৰণ পোৱা নাযায় । কাৰণ,

(1) অসমীয়া ভাষাত সংস্কৃত ভাষাৰ মূৰ্ধন্য ধ্বনিসমূহ দন্ত্যমূলীয় ধ্বনিৰূপে উচ্চাৰণ হৈছে ।

(2) অসমীয়া ভাষাৰ ধ্বনিৰ উচ্চাৰণত তিব্বতবৰ্মীয় ভাষাৰ প্ৰভাৱ বিদ্যমান ।

(3) অসমীয়া ভাষাটো তিব্বতবৰ্মীয় লোকসকলে ব্যৱহাৰ কৰা বাবে ।

(4) তিব্বতবৰ্মীয় ভাষাত মূৰ্ধন্য ধ্বনি পোৱা না যায় ।

তলৰ 21ৰ পৰা 25 লৈ দিয়া প্ৰতিটো উক্তি (Assertion) আৰু যুক্তি (Reason) হিচাপে উল্লেখ কৰা বিবৃতি দুটাৰ বিষয়ে যুগুতোৱা (1), (2), (3), (4) ৰ পৰা শুদ্ধ উত্তৰটো নিৰ্ণয় কৰাঁ ।

**21.** **উক্তি** : বায়ুৰ প্ৰবাহ আৰু বায়ু প্ৰবাহৰ পথত অৱস্থিত অঙ্গবোৰ নহ'লে বাগ্‌ধ্বনিৰ উচ্চাৰণ সম্ভৱ নহয় ।

**যুক্তি** : বাগ্‌ধ্বনিৰ উচ্চাৰণত বাগিন্দ্ৰিয়ৰ বিভিন্ন অঙ্গবোৰে সহায় কৰে ।

(1) উক্তি শুদ্ধ, যুক্তি অশুদ্ধ

(2) উক্তি অশুদ্ধ, যুক্তি শুদ্ধ

(3) উক্তি শুদ্ধ, যুক্তি শুদ্ধ

(4) উক্তি অশুদ্ধ, যুক্তি শুদ্ধ

**22.** **উক্তি** : সমাজৰ এজন ব্যক্তিয়ে সমাজৰ স্বীকৃতি লৈ যি কৰে সিয়েই সংস্কৃতি ।

**যুক্তি** : এজন ব্যক্তিয়ে সমাজৰ স্বীকৃতি লৈয়ে সকলো কাম কৰে ।

(1) উক্তি শুদ্ধ, যুক্তি শুদ্ধ

(2) উক্তি অশুদ্ধ, যুক্তি শুদ্ধ

(3) উক্তি অশুদ্ধ, যুক্তি অশুদ্ধ

(4) উক্তি শুদ্ধ, যুক্তি অশুদ্ধ

**23.** **উক্তি** : নাটক হ'ল জীৱন সংক্ৰান্তীয় ধাৰণাসমূহৰ অভিব্যক্তিৰ এক শিল্পকলা ।

**যুক্তি** : জীৱনৰ ঘটনা-পৰিঘটনাক লৈয়েই নাটকীয় শিল্পৰ প্ৰকাশ ঘটে ।

(1) উক্তি অশুদ্ধ, যুক্তি শুদ্ধ

(2) উক্তি শুদ্ধ, যুক্তি শুদ্ধ

(3) উক্তি অশুদ্ধ, যুক্তি অশুদ্ধ

(4) উক্তি শুদ্ধ, যুক্তি অশুদ্ধ

**24.** **উক্তি** : যুগভিত্তিক উপন্যাসত দেশ আৰু কাল নিজেই বিষয়বস্তু, ইয়াত চৰিত্রক গুৰুত্ব দিয়া হয়; আনহাতে যুগৰ সামাজিক ৰূপটো ইয়াৰ প্রধান আকর্ষণৰ বিষয় ।

**যুক্তি** : যুগভিত্তিক উপন্যাস ঐতিহাসিক উপন্যাসৰে এক বিস্তীর্ণ ৰূপভেদ । ইয়াত কাহিনী, চৰিত্র আৰু কালক সমানে গুৰুত্ব দিয়া হয় ।

(1) উক্তি অশুদ্ধ, যুক্তি অশুদ্ধ

(2) উক্তি শুদ্ধ, যুক্তি শুদ্ধ

(3) উক্তি অশুদ্ধ, যুক্তি শুদ্ধ

(4) উক্তি শুদ্ধ, যুক্তি অশুদ্ধ

**25.** **উক্তি** : ভাষা পৰম্পৰাগতভাৱে মানুহে আহৰণৰ দ্বাৰা লাভ কৰা এটা অমূল্য সম্পদ ।

**যুক্তি** : মানুহে কথা কোৱাটো এটা সহজাত প্রবৃত্তি । মানুহক কথা কোৱা শুনিলেহে মানুহে কথা ক'ব পাৰে ।

(1) উক্তি শুদ্ধ, যুক্তি অশুদ্ধ

(2) উক্তি অশুদ্ধ, যুক্তি শুদ্ধ

(3) উক্তি শুদ্ধ, যুক্তি শুদ্ধ

(4) উক্তি অশুদ্ধ, যুক্তি অশুদ্ধ

তলত 26 ৰ পৰা 35 লৈ দিয়া বিষয়সমূহ লগত দিয়া নির্দেশনাৰ আধাৰত সজাই (1), (2), (3) (4) গোটৰ পৰা শুদ্ধ ক্রমটো নির্ণয় কৰাঁ ।

**26.** প্রথম প্রকাশৰ চনৰ আধাৰত সজোৱাঁ -

(a) শৰাইঘাট অভিধান

(b) চন্দ্রকান্ত অভিধান

(c) আধুনিক অসমীয়া শব্দকোষ

(d) অসমীয়া অভিধান

(1) (a) (b) (c) (d)

(2) (a) (c) (b) (d)

(3) (b) (d) (c) (a)

(4) (b) (c) (a) (d)

**27.** তলত দিয়া সাহিত্যৰ বুৰঞ্জীকেইখন প্ৰথম প্ৰকাশৰ চনৰ আধাৰত সজোৱাঁ ।

(a) অসমীয়া সাহিত্যৰ ৰূপৰেখা

(b) অসমীয়া সাহিত্যৰ ইতিবৃত্ত

(c) অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড)

(d) অসমীয়া ভাষা-সাহিত্যৰ বুৰঞ্জী

(1) (d) (b) (a) (c)

(2) (a) (c) (d) (b)

(3) (d) (a) (b) (c)

(4) (b) (a) (d) (c)

**28.** তলৰ মতবাদকেইটা সূচনা হোৱা সময় অনুসৰি সজোৱাঁ –

(a) বিনিৰ্মাণ

(b) চিহ্নবিজ্ঞান

(c) গঠনবাদ

(d) উত্তৰ গঠনবাদ

(1) (a) (b) (c) (d)

(2) (a) (d) (c) (b)

(3) (c) (d) (b) (a)

(4) (c) (b) (d) (a)

**29.** জ্যেষ্ঠতাৰ আধাৰত সজোৱাঁ –

(a) নাথান ব্ৰাউন

(b) নিধি লিৱাই ফাৰোৱেল

(c) এ. কে. গাৰ্ণি

(d) ৱিলিয়াম কেৰী

(1) (a) (c) (d) (b)

(2) (a) (b) (d) (c)

(3) (d) (a) (b) (c)

(4) (d) (c) (a) (b)

**30.** তলত উল্লেখ কৰা মামনি ৰয়ছম গোস্বামীৰ উপন্যাসকেইখন প্ৰথম প্ৰকাশৰ চনৰ আধাৰত সজোৱাঁ ।

(a) দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা

(b) মামৰে ধৰা তৰোৱাল

(c) চীনাবৰ সোঁত

(d) নীলকণ্ঠী ব্ৰজ

(1) (a) (b) (d) (c)

(2) (c) (d) (b) (a)

(3) (c) (b) (a) (d)

(4) (a) (d) (b) (c)

**31.** প্ৰথম প্ৰকাশৰ চন অনুসৰি একাদিক্ৰমে সজোৱাঁ ।

(a) অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব

(b) বহল ব্যাকৰণ

(c) অসমীয়া ভাষাৰ ৰূপতত্ত্ব

(d) ব্যাকৰণ আৰু প্ৰাকৃতিবিজ্ঞান

(1) (b) (a) (d) (c)

(2) (a) (c) (d) (b)

(3) (d) (b) (a) (c)

(4) (b) (c) (a) (d)

**32.** প্ৰথম প্ৰকাশৰ চনৰ আধাৰত সজোৱাঁ

(a) সাহিত্য তত্ত্ব আৰু সমালোচনা তত্ত্ব

(b) সাহিত্য বিদ্যা পৰিক্ৰমা

(c) সাহিত্যৰ সাজ

(d) সাহিত্য দৰ্পণ

(1) (d) (a) (c) (b)

(2) (d) (b) (c) (a)

(3) (a) (c) (b) (d)

(4) (b) (c) (d) (a)

**33.** তলৰ জনগোষ্ঠীকেইটিয়ে অসমলৈ প্ৰব্ৰজন কৰা কালৰ আধাৰত একাদিক্ৰমে সজোৱাঁ ।

(a) মিচিং

(b) টুৰুং

(c) চাহ জনগোষ্ঠী

(d) কাৰ্বি

(1) (d) (b) (a) (c)

(2) (a) (b) (d) (c)

(3) (a) (d) (c) (b)

(4) (d) (a) (b) (c)

**34.** তলত উল্লেখ কৰা উপাদানকেইটি অংকীয়া নাটত ব্যৱহাৰ হোৱা ক্ৰম অনুসৰি সজোৱাঁ ।

(a) কথা সূত্ৰ

(b) নান্দী শ্লোক

(c) মুক্তিমঙ্গল ভটিমা

(d) স্তুতিবাচক ভটিমা

(1) (b) (d) (a) (c)

(2) (b) (a) (c) (d)

(3) (c) (d) (a) (b)

(4) (d) (c) (b) (a)

**35.** প্ৰথম প্ৰকাশৰ চনৰ আধাৰত সজোৱাঁ –

(a) জোনাকী

(b) বিজুলী

(c) আসাম বন্ধু

(d) ৰামধেনু

(1) (a) (c) (b) (d)

(2) (c) (b) (a) (d)

(3) (c) (a) (b) (d)

(4) (b) (a) (d) (c)

তলৰ 36 ৰ পৰা 45 লৈ দিয়া প্ৰশ্নসমূহৰ ‘ক’ স্তম্ভত দিয়া বিষয়ৰ লগত সম্পৰ্ক থকা ‘খ’ স্তম্ভৰ বিষয়সমূহ মিলাই (1), (2), (3), (4) এই চাৰিটা বিকল্প দেখুওৱা হৈছে । তাৰ পৰা শুদ্ধ বিকল্পটো চিহ্নিত কৰাঁ ।

**36.** **‘ক’ স্তম্ভ** **‘খ’ স্তম্ভ**

| ‘ক’ স্তম্ভ | ‘খ’ স্তম্ভ |
|---|---|
| a. অসমীয়া গদ্য সাহিত্য (পুৰণি ভাগ) | i. প্ৰফুল্ল কটকী |
| b. ক্ৰম বিকাশত অসমীয়া কথাশৈলী | ii. অৰ্পণা কোঁৱৰ |
| c. অসমীয়া গদ্য সাহিত্যৰ গতিপথ | iii. বিৰিঞ্চিকুমাৰ বৰুৱা |
| d. প্ৰাচীন অসমীয়া গদ্যশৈলী | iv. হৰিনাথ শৰ্মা দলৈ |

| | a | b | c | d |
|---|---|---|---|---|
| (1) | i | iii | iv | ii |
| (2) | iii | i | ii | iv |
| (3) | iii | i | iv | ii |
| (4) | i | iv | iii | ii |

**37.** **‘ক’ স্তম্ভ** **‘খ’ স্তম্ভ**

| ‘ক’ স্তম্ভ | ‘খ’ স্তম্ভ |
|---|---|
| a. E.m. Forster | i. Anatomy of Prose |
| b. M. Boulton | ii. The theory of Drama |
| c. A. Nicoll | iii. An Introduction to the Study of Literature |
| d. W.H. Hudson | iv. Aspects of the Novel |

| | a | b | c | d |
|---|---|---|---|---|
| (1) | iv | i | ii | iii |
| (2) | iii | ii | i | iv |
| (3) | iv | ii | iii | i |
| (4) | i | iii | iv | ii |

**38.** **‘ক’ স্তম্ভ** **‘খ’ স্তম্ভ**

| ‘ক’ স্তম্ভ | ‘খ’ স্তম্ভ |
|---|---|
| a. সাহিত্য তত্ত্ব আৰু সমালোচনা তত্ত্ব | i. বীৰেন বৰকটকী |
| b. সাহিত্য আৰু সাহিত্য | ii. নাহেন্দ্ৰ পাদুল |
| c. সাহিত্য আলোচনা | iii. মহেন্দ্ৰ বৰা |
| d. সাহিত্যৰ পটভূমি | iv. ত্ৰৈলোক্যনাথ গোস্বামী |

| | a | b | c | d |
|---|---|---|---|---|
| (1) | ii | i | iv | iii |
| (2) | i | iii | iv | ii |
| (3) | i | iv | ii | iii |
| (4) | ii | iii | iv | i |

**39.** **‘ক’ স্তম্ভ** **‘খ’ স্তম্ভ**

| ‘ক’ স্তম্ভ | ‘খ’ স্তম্ভ |
|---|---|
| a. Language | i. Nida |
| b. Syntactic Structure | ii. Hocket |
| c. Morphology | iii. Bloomfield |
| d. A course of Modern Linguistics | iv. Chomsky |

| | a | b | c | d |
|---|---|---|---|---|
| (1) | i | ii | iv | iii |
| (2) | iii | iv | i | ii |
| (3) | ii | i | iii | iv |
| (4) | iv | iii | i | ii |

**40.** **‘ক’ স্তম্ভ** **‘খ’ স্তম্ভ**

| ‘ক’ স্তম্ভ | ‘খ’ স্তম্ভ |
|---|---|
| a. নগেন্দ্র নাৰায়ণ চৌধুৰী | i. ৰতন মুণ্ডা |
| b. লক্ষ্মীনাথ বেজবৰুৱা | ii. ৰসায়ণ |
| c. মামনি ৰয়ছম গোস্বামী | iii. প্ৰাণ পোৱাৰ পিছত |
| d. চৈয়দ আব্দুল মালিক | iv. সংস্কাৰ |

| | a | b | c | d |
|---|---|---|---|---|
| (1) | ii | i | iv | iii |
| (2) | iv | iii | ii | i |
| (3) | iii | i | ii | iv |
| (4) | ii | iii | i | iv |

**41.** **‘ক’ স্তম্ভ** **‘খ’ স্তম্ভ**

| ‘ক’ স্তম্ভ | ‘খ’ স্তম্ভ |
|---|---|
| a. -ধোকা, - পাহ, - কাচলি-জাউৰি | i. ক্ৰিয়াবাচক পৰসৰ্গ |
| b. -জানো, -দেখোন, -একা | ii. কৃৎ প্ৰত্যয় |
| c. -ও, -হে, -এই, -ই | iii. নিৰ্দিষ্টতাবাচক |
| d. -অতীয়া, -অন, -অনি, -উৱা | iv. জোৰবাচকতা |

| | a | b | c | d |
|---|---|---|---|---|
| (1) | iii | ii | i | iv |
| (2) | iv | ii | iii | i |
| (3) | iii | i | iv | ii |
| (4) | i | ii | iv | iii |

42. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

| | |
|---|---|
| a. ৰংমনৰ কথা | i. প্ৰফুল্লদত্ত গোস্বামী |
| b. ভাৱৰৰ সিপাৰে ধুনীয়া দেশ | ii. বাণীকান্ত কাকতি |
| c. পখিলা | iii. মহেশ্বৰ নেওগ |
| d. বিলাতী হোজা | iv. লীলা গগৈ |

| | a | b | c | d |
|---|---|---|---|---|
| (1) | iv | iii | ii | i |
| (2) | iv | ii | i | iii |
| (3) | ii | iii | i | iv |
| (4) | ii | i | iv | iii |

43. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

| | |
|---|---|
| a. চুজেঁ | i. ডিমাছা |
| b. চু | ii. দেউৰী |
| c. হৰলাং | iii. কাৰ্বি |
| d. জু | iv. গাৰো |

| | a | b | c | d |
|---|---|---|---|---|
| (1) | ii | iv | iii | i |
| (2) | i | ii | iv | iii |
| (3) | ii | i | iv | iii |
| (4) | iii | ii | i | iv |

44. ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

| | |
|---|---|
| a. তুলনামূলক সাহিত্য আৰু অনুবাদ বিচাৰ | i. প্ৰফুল্ল কটকী |
| b. তুলনামূলক ভাৰতীয় সাহিত্য | ii. নগেন শইকীয়া |
| c. তুলনামূলক সাহিত্য আৰু অনুবাদ কলা | iii. নীৰাজনা মহন্ত বেজবৰা |
| d. সাহিত্যৰ বাদবৈচিত্ৰ্য | iv. কৰবী ডেকা হাজৰিকা |

| | a | b | c | d |
|---|---|---|---|---|
| (1) | ii | i | iii | iv |
| (2) | i | ii | iv | iii |
| (3) | ii | iii | i | iv |
| (4) | i | iii | iv | ii |

45. 'ক' স্তম্ভ | 'খ' স্তম্ভ

| 'ক' স্তম্ভ | 'খ' স্তম্ভ |
|---|---|
| a. সময়ৰ বলুকাৰাশিত পদচিহ্ন ৰখা উন্মাদ বাসনা আমাৰ নাই | i. কেশৱ মহন্ত |
| b. এইজাক দাৰুনীৰ মাজতে আছিল নেকি সেউতীও মোৰ | ii. নৱকান্ত বৰুৱা |
| c. এদিনাখন এটা ঢেকুৰা কুকুৰে মুখত মগুইলে বুকুত খামাচ মাৰি ধৰি আছিল কামৰূপৰ মেপ নিনিয়া ভয় । | iii. হেম বৰুৱা |
| d. পলাশৰ জুই নুমাল এতিয়া । শাল আৰু চতিয়ন বনত মানৰ দিনৰ অতীত বহাগৰ ধুমুহাৰ | iv. অজিৎ বৰুৱা |

| | a | b | c | d |
|---|---|---|---|---|
| (1) | iii | ii | i | iv |
| (2) | iii | i | iv | ii |
| (3) | iv | ii | i | iii |
| (4) | ii | iii | iv | i |

তলত দিয়া খণ্ডটো মনোযোগেৰে পঢ়াঁ আৰু 46 ৰ পৰা 50 লৈকে সংলগ্ন প্ৰশ্নকেইটাৰ শুদ্ধ উত্তৰ (1) (2), (3), (4) ৰ মাজৰ পৰা বাছি উলিওৱাঁ ।

অসমীয়া সমাজৰ সামাজিক আৰু সাংস্কৃতিক জীৱনত প্ৰধানকৈ তিনি প্ৰকাৰৰ ধৰ্মীয় অনুষ্ঠানে প্ৰভাৱ বিস্তাৰ কৰি আহিছে । এই তিনি প্ৰকাৰ ধৰ্মীয় অনুষ্ঠান হৈছে - মঠ-মন্দিৰ, নামঘৰ আৰু সত্ৰ । নামঘৰ আৰু সত্ৰতকৈ মঠ-মন্দিৰৰ ঐতিহ্য অধিক প্ৰাচীন । কিন্তু অসমীয়া সামাজিক আৰু সাংস্কৃতিক জীৱনৰ লগত নামঘৰ আৰু সত্ৰ যিমান ঘনিষ্ঠ আৰু গভীভাৱে সংশ্লিষ্ট হৈ আছে, মঠ-মন্দিৰ সিমান ঘনিষ্ঠভাৱে সংশ্লিষ্ট বা জড়িত নহয় । আমাৰ এই প্ৰবন্ধৰ আলোচ্য বিষয় মঠ-মন্দিৰ নহয় - নামঘৰ আৰু সত্ৰহে; তিনিওটিয়েই ধৰ্মীয় অনুষ্ঠান হোৱা তেহুকে আৰু মঠ-মন্দিৰৰ ঐতিহ্য অধিক হোৱা হেতুকেই মঠ-মন্দিৰৰো উল্লেখ কৰি লোৱা হৈছে মাত্ৰ ।

খৃষ্টীয় ষোড়শ শতাব্দীৰপৰা অৰ্থাৎ মহাপুৰুষ শঙ্কৰদেৱ প্ৰবৰ্তিত নৱ-বৈষ্ণৱ আন্দোলনৰ যুগৰপৰা নামঘৰ আৰু সত্ৰসমূহে অসমীয়া সমাজৰ ওপৰত অতুলনীয় প্ৰভাৱ বিস্তাৰ কৰি আহিছে । নামঘৰ আৰু সত্ৰ এই দুয়োবিধ প্ৰধানতঃ ধৰ্মীয় অনুষ্ঠান হ'লেও এই দুয়োবিধ অনুষ্ঠানে অসমীয়া সমাজৰ ধৰ্মীয়, সামাজিক আৰু সাংস্কৃতিক এই কেউটা দিশৰ লগতে গভীৰ আৰু ঘনিষ্ঠভাৱে জড়িত । আকৌ নামঘৰীয়া কৰ্তৃপক্ষতকৈ সত্ৰীয়া কৰ্তৃপক্ষ ঊৰ্ধত; অসমীয়া সমাজৰ ধৰ্মীয়, সামাজিক আৰু সাংস্কৃতিক বিষয়ত নামঘৰীয়া কৰ্তৃপক্ষই সত্ৰীয়া কৰ্তৃপক্ষৰ অধীন হিচাপে কাম কৰে । যদি কোনো লোক নামঘৰীয়া কৰ্তৃপক্ষৰ সিদ্ধান্তত সন্তুষ্ট নহয়, বা নামঘৰীয়া কৰ্তৃপক্ষই কোনো বিষয়ত সিদ্ধান্ত লোৱাটো কঠিন পায়, তেনেহ'লে তেনে বিষয়ত সত্ৰীয়া কৰ্তৃপক্ষৰ পৰা সিদ্ধান্ত বা পৰামৰ্শ লয় ।

এই নামঘৰ আৰু সত্ৰসমূহৰ ভিতৰত সত্ৰসমূহ যে প্ৰত্যক্ষভাৱে মহাপুৰুষ শঙ্কৰদেৱ প্ৰবৰ্তিত নৱ-বৈষ্ণৱ আন্দোলনৰ সৃষ্টি তাত কোনো দ্বিমত নাই । কিন্তু নামঘৰ সম্পৰ্কে মতদ্বৈধ দেখা গৈছে । কোনো কোনো পণ্ডিতে মত পোষণ কৰিছে যে মহাপুৰুষ শঙ্কৰদেৱৰ আগতো অসমৰ গাঁওবোৰত নামঘৰ আছিল । কিন্তু তেখেতসকলৰ তেনে মতৰ সমৰ্থনত কোনো উল্লেখযোগ্য অভিলেখ আমি এতিয়ালৈকে পোৱা নাই । আগতে উল্লেখ কৰি অহা হৈছে যে নামঘৰবোৰৰ প্ৰায় প্ৰত্যেকটোৱেই নৱ বৈষ্ণৱ আন্দোলনৰ ফলত আৱিৰ্ভাৱ হোৱা কোনো এখন সত্ৰৰ লগত প্ৰত্যক্ষভাৱে জড়িত । গতিকে বৰ্তমান আমি দেখা নামঘৰবোৰৰ যি চিত্ৰ সি নৱ-বৈষ্ণৱ আন্দোলনৰ প্ৰভাৱত প্ৰতিষ্ঠিত হোৱা এক বিশিষ্ট ধৰ্মীয় অনুষ্ঠান । এই নৱ-বৈষ্ণৱ আন্দোলনৰ ফলত অসমৰ বিভিন্ন অঞ্চলত অলেখ সত্ৰ-অনুষ্ঠান আৰু অসমৰ চুকে-কোণে প্ৰায় প্ৰতিখন হিন্দু অসমীয়া গাঁৱতে একোটাকৈ অজস্ৰ নামঘৰৰ আৱিৰ্ভাৱ হয় । এই সত্ৰ আৰু নামঘৰ সমূহৰ পৰা প্ৰবাহিত হৈ থকা ধৰ্মীয়, সামাজিক আৰু সাংস্কৃতিক চিন্তাৰ পুত-পৱিত্ৰ, সুবিমল প্ৰবাহেই নানা সামাজিক আৰু ৰাজনৈতিক দুৰ্যোগৰ মাজেদিত্ত সুদুৰ ষোড়শ শতাব্দীৰপৰা অসমীয়া জাতিক স্বকীয় ধ্যান-ধাৰণা, সাংস্কৃতিক আৰু চাৰিত্ৰিক বৈশিষ্ট্যেৰে মহিমামণ্ডিত কৰি জীয়াই ৰাখিছে ।

**46.** খণ্ডটোক তলৰ কোনটো অভিধাৰে শিৰোনাম দিবা ?

(1) নামঘৰ, সত্ৰ আৰু মঠ মন্দিৰ (2) নামঘৰ আৰু সত্ৰ

(3) অসমৰ ধৰ্মানুষ্ঠান (4) অসমৰ সামাজিক-সাংস্কৃতিক জীৱন

**47.** অসমৰ কোনবোৰ গাঁৱত নামঘৰ পোৱা যায় ?

(1) অসমৰ বিভিন্ন অঞ্চলত চুকে কোনে সকলোতে নামঘৰ পোৱা যায় ।

(2) য'তেই সত্ৰ আছে ত'তেই নামঘৰ পোৱা যায় ।

(3) প্ৰায় প্ৰতিখন হিন্দুধৰ্মী অসমীয়া মানুহৰ গাঁৱতে নামঘৰ পোৱা যায় ।

(4) অসমৰ ভিতৰুৱা গাঁৱতহে নামঘৰ পোৱা যায় ।

**48.** নামঘৰ আৰু সত্ৰৰ ভিতৰত সত্ৰসমূহ যে শংকৰদেৱৰ লগত জড়িত তাৰ প্ৰমাণ হ'ল –

(1) সত্ৰসমূহ শংকৰদেৱ প্ৰবৰ্ত্তিত নৱবৈষ্ণৱ আন্দোলনৰ সৃষ্টি ।

(2) কিয়নো শংকৰদেৱৰ আসতো অসমত নামঘৰ আছিল ।

(3) কিয়নো নামঘৰৰ সময় সম্পৰ্কে মতদ্বৈধ আছে ।

(4) কিয়নো নামঘৰ সম্পৰ্কে কোনো উল্লেখযোগ্য অভিলেখ নাই ।

**49.** লেখকে কি কাৰণে নামধৰীয়া কৰ্তৃপক্ষতকৈ সত্ৰীয়া কৰ্তৃপক্ষ উৰ্ধত বুলি কৈছে ?

(1) যিহেতু নামঘৰীয়া কৰ্তৃপক্ষ নামঘৰতেই সীমিত ।

(2) যিহেতু নামঘৰীয়া কৰ্তৃপক্ষৰ সিদ্ধান্ত লোৱাৰ ক্ষমতা নাই ।

(3) যিহেতু নামঘৰীয়া কৰ্তৃপক্ষ সত্ৰৰ অধীন আৰু সিদ্ধান্ত সদায় সত্ৰইহে দিয়ে ।

(4) যিহেতু নামঘৰীয়া কৰ্তৃপক্ষই সিদ্ধান্ত লোৱাত কঠিন পায় ।

**50.** অসমীয়া সমাজৰ সামাজিক সাংস্কৃতিক জীৱনত মঠ-মন্দিৰ, নামঘৰ আৰু সত্ৰ-এই তিনি প্ৰকাৰৰ ধৰ্মীয় অনুষ্ঠানে প্ৰভাৱ বিস্তাৰ কৰি আহিছে বুলি কৈ লেখকে মঠ-মন্দিৰ বিষয়টো এৰাই আলোচনা কৰাৰ কাৰণ হ'ল –

(1) নামঘৰ-আৰু-সত্ৰৰ তুলনাত মঠ-মন্দিৰৰ প্ৰভাৱ কম ।

(2) মঠ-মন্দিৰৰ ঐতিহ্য অধিক প্ৰাচীন ।

(3) মঠ-মন্দিৰৰ গুৰুত্ব অসমীয়া সামাজিক-সাংস্কৃতিক জীৱনত নাই ।

(4) প্ৰবন্ধৰ আলোচ্য বিষয় নামধৰ আৰু সত্ৰহে মঠ-মন্দিৰ নহয় ।

**Space For Rough Work**